কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : 
*Ref :*

তাৰিখ :
*Date :*

### আন্তঃজাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ কামৰূপ মহানগৰ আৰু কামৰূপ গ্ৰাম্যৰ দিন ধাৰ্য

**নুনমাটি, গুৱাহাটী, ৯ জুলাই, ২০১৮** : অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ সৈতে সংগতি ৰাখি আয়োজন কৰা আন্তঃজাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাখন অহা আগষ্ট মাহৰ প্ৰথম ভাগত অনুষ্ঠিত কৰা হ'ব। এই তৰ্ক প্ৰতিযোগিতাখন প্ৰাৰম্ভিক পৰ্যায়ত জিলাভিত্তিত আৰু চূড়ান্ত পৰ্যায়ত ৰাজ্যিকভিত্তিত অনুষ্ঠিত কৰা হ'ব। কামৰূপ মহানগৰ জিলাৰ প্ৰাৰম্ভিক পৰ্যায়ৰ জিলাভিত্তিক প্ৰতিযোগিতাখন অহা ৩ আগষ্ট শুক্ৰবাৰে নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ৰ চৌহদত পুৱা ১০.৩০ বজাৰপৰা অনুষ্ঠিত হ'ব। আনহাতে কামৰূপ গ্ৰাম্য জিলাৰ প্ৰাৰম্ভিক পৰ্যায়ৰ জিলাভিত্তিক প্ৰতিযোগিতাখনি ৪ আগষ্ট শনিবাৰে উত্তৰণ জাতীয় বিদ্যালয়, চাংসাৰিত পুৱা ১১.০০ বজাৰপৰা অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে প্ৰাৰম্ভিক পৰ্যায়ৰ জিলাভিত্তিক প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত বিষয় হৈছে, **'সদনৰ মতে, নম্বৰকেন্দ্ৰিক শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীৰ সৃজনশীলতা আৰু উদ্ভাৱন শক্তিক বাধা দিছে।'** প্ৰতিযোগিতাখনি নৱম আৰু দশম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত অনুষ্ঠিত হ'ব। কামৰূপ মহানগৰ জিলা তথা কামৰূপ গ্ৰাম্য জিলাৰ প্ৰতিখন জাতীয় বিদ্যালয়ৰপৰা সপক্ষে এজন আৰু বিপক্ষে এজনকৈ মুঠ দুগৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতা দুখনত অংশগ্ৰহণৰ বাবে যোগাযোগৰ অন্তিম তাৰিখ ০২/০৮/২০১৮। কামৰূপ মহানগৰ জিলাৰ প্ৰতিযোগিতাখনিৰ বাবে যোগাযোগৰ নম্বৰ ৯৮৬৪০ ৭৪৪৪১, ৯৮৬৪১ ১৪৮৫৩। আনহাতে কামৰূপ গ্ৰাম্য জিলাৰ প্ৰতিযোগীসকলে ৭৬৬২৮৬২০৮৬ নম্বৰত যোগাযোগ কৰিব পাৰিব। প্ৰতিখন বিদ্যালয়ৰ প্ৰতিযোগীসকলে শিক্ষানুষ্ঠানৰ মুৰব্বীৰ পৰা একোখন যোগদানৰ প্ৰমাণ-পত্ৰ আনিব লাগিব। একোগৰাকী শিক্ষক বা শিক্ষয়িত্ৰী তত্ত্বাৱধায়ক হিচাপে প্ৰতিখন বিদ্যালয়ৰপৰা প্ৰতিযোগীসকলৰ লগত অহাটো বাধ্যতামূলক।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০
ফ'ন : ৯৭০৬০২৫১৬৭